# মচুৰ দাইলৰ এটি সৰু কাহিনী

অসমীয়া মানুহৰ ঘৰে ঘৰে অধিকতম প্ৰচলিত দাইল হৈছে মচুৰ দাইল। ই হয়তো সবাতোকৈ প্ৰিয়ও। দৈনিক মাছ খাবলৈ অসমৰ্থ মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ প্ৰোটিনৰ প্ৰয়োজনীয়তা কিছু পৰিমাণে পূৰণ কৰে মচুৰ দাইলে। কেৱল প্ৰোটিনেই নহয় আমাৰ শৰীৰৰ কাৰণে প্ৰয়োজনীয় বহুতো পুষ্টিকৰ উপাদান মচুৰ দাইলত পোৱা যায়।

এসময়ত আমাৰ যোৰহাটৰ ঘৰতো মচুৰ দাইল আটাইতকৈ বেছিকৈ চলিছিল। আমি স্কুল কলেজত পঢ়ি থকা সময়ত মায়ে প্ৰায় সদায় মচুৰ দাইল ৰান্ধিছিল। সেই সময়ত মোৰ মচুৰ দাইলৰ প্ৰতি অত্যন্ত বিতৃষ্ণাৰ ভাৱ হৈছিল। ভাতৰ পাতত বহিবলৈ লৈ মচুৰ দাইল দেখাৰ লগে লগে প্ৰায়েই চিঞৰি উঠিছিলো "সদায় সদায় মচুৰ দাইল কেলেই ৰান্ধ ? কোনে খায় এইবোৰ?" তেতিয়া আপত্তি কৰিছিলো যদিও এতিয়া উপলব্ধি কৰো যে মচুৰ দাইল ৰন্ধাৰ বাহিৰে মাৰ কোনো উপায়ো নাছিল। তেতিয়াৰ দিনত গেছ বা প্ৰেছাৰ কুকাৰ নাছিল। চৌকাত খৰিৰে ৰন্ধা বঢ়া কৰিব লাগিছিল। বহুত সময়ত মায়ে কোলাত কেচুৱা লৈ কেঁচা খৰি ফুঁৱাই ফুঁৱাই ভাত ৰান্ধি আমাক খুৱাই স্কুল কলেজলৈ পঠাইছিল। কেৱল সেয়ে নহয় -- প্ৰায় ১০০ মিটাৰমান দূৰৰ পুখুৰীৰ পৰা পানীও কঢ়িয়াবলগীয়া হৈছিল। বি.এ. পঢ়ি থাকোঁতে আমাৰ অনাৰ্ছৰ ক্লাছ প্ৰায়েই ন বজাৰ পৰা আৰম্ভ হৈছিল। কলেজলৈ খোজ কাঢ়ি যাবলৈ ১৫/২০ মিনিটমান সময় লাগিছিল, মায়ে পুৱা ৮-৩০ বজাত ভাত বাঢ়ি দিব নোৱাৰিলে মই হুলস্থূল কৰিছিলো। গতিকে মাৰ বাবে মচুৰ দাইলৰ বাহিৰে গত্যন্তৰ নাছিল। মায়ে দাইলতে আলুৰ সৈতে কিবা পাচলি সিজাই লৈ তাৰে পাতলকৈ ভাজি এখন কৰি প্ৰায়েই মোক ভাত বাঢ়ি দিছিল। মায়ে মচুৰ দাইল ৰান্ধিলে আপত্তি কৰিছিলো যদিও মই নিজে ভাত ৰান্ধিবলগীয়া হ'লেও মচুৰ দাইলকে ৰান্ধিছিলো। ঘৰৰ ডাঙৰ হোৱাৰ বাবে মাৰ বিকল্প হিচাবে ময়েই ভাত ৰান্ধিবলগীয়া হৈছিল। সকলোকে ভাত ৰান্ধি বাঢ়ি দিয়াৰ লগতে আইতাৰো বহুত কাম কৰি দিবলগীয়া হৈছিল। গতিকে স্বাভাৱিকতেই ভাত ৰান্ধিবলৈ লৈ মচুৰ দাইলতে হাত দিছিলো।

প্ৰায় সদায়েই খাবলগীয়া হোৱাৰ বাবে সেই সময়ত ধাৰণা হৈছিল যে মচুৰ দাইলৰ দৰে অখাদ্য আৰু একো থাকিব নোৱাৰে।

কিন্তু সেই অখাদ্য মচুৰ দাইল কেতিয়া কেনেকৈ সুখাদ্য বুলি ভাবিবলৈ ধৰিলো সেই কথাকে আজি লিখিব খুজিছো।

মই বিয়াৰ পিছতে দিল্লীৰ পৰা মাইচুৰলৈ গুছি আহিছিলো। দিল্লীত থাকোতে আমাৰ হোষ্টেলত আন দাইলৰ লগতে মচুৰ দাইলো খাবলৈ পাইছিলো। ইয়ালৈ আহি ঘৰ সংসাৰ পতাৰ ভালেমান দিনৰ পিছত অনুভৱ কৰিলো যে বহুতদিন ধৰি মচুৰ দাইল খোৱা নাই। আচলতে মচুৰ দাইল কোনো দোকানত চকুত পৰা নাছিল বাবেই অনা হোৱা নাছিল। কথাটো মনলৈ অহাৰ লগে লগে মই মচুৰ দাইলৰ প্ৰতি আৰু বিশেষকৈ মায়ে ৰন্ধা সেই দাইলৰ প্ৰতি বৰ নষ্টেলজিক হৈ পৰিলো। ওচৰ পাজৰৰ দোকানবোৰত খবৰ কৰাত গম পালো যে মচুৰ দাইলৰ নাম কোনেও কেতিয়াও শুনাই নাই। ইয়াৰ মানুহবোৰে চাৰিবিধ দাইল চিনি পায় – ৰহৰ দাইল, মাটি দাইল, বুট দাইল আৰু মগু দাইল। ৰহল দাইল ব্যৱহাৰ কৰে চাম্বাৰ ৰান্ধিবলৈ, বুট দাইল ব্যৱহাৰ কৰে কিছুমান তৰকাৰীত দিবলৈ, মাটি দাইল ব্যৱহাৰ কৰে দোচা, ইদলিত দিবলৈ। মগু দাইলেৰে তৈয়াৰ কৰে এবিধ সুস্বাদু পায়স। মগু দাইল কেতিয়াবা বিয়া আদিত ঘনকৈ দাইলৰ দৰে ৰান্ধে আৰু ঘিঁউৰে সৈতে ভাতৰ কাষত দিয়ে (আমাৰ দৰে দাইল হিচাবে খাবলৈ নহয়)। ইয়াত আমাৰ দৰে দাইল খোৱাৰ অভ্যাস নাই। তেনে দাইলক উত্তৰ ভাৰতীয় খাদ্য বুলিয়েই ধৰা হয়। অৱশ্যে আজিকালি ইয়াতো উত্তৰ ভাৰতীয় খাদ্যৰ প্ৰভাৱ পৰাৰ বাবে দুই একৰ ঘৰত কেতিয়াবা দাইল ৰান্ধে। কিন্তু তাৰ বাবে ৰহল দাইলহে ব্যৱহাৰ কৰে। ইয়াৰ মানুহে শাক, মাহ আদিৰে বিভিন্ন ধৰণৰ আঞ্জা ৰান্ধে কিন্তু ভাতৰ লগত খাবলৈ সচৰাচৰ ৰন্ধা আঞ্জা হৈছে চাম্বাৰ অথবা ৰচম।

মচুৰ দাইল খাবলৈ মন যোৱাৰ পিছত ভালেমান দোকানত বিচাৰি বিচাৰি শেষত এখন উত্তৰ ভাৰতীয় মানুহে চলোৱা দোকানত পাই কিনি আনিছিলো। কেইবাবাৰো যত্ন কৰি ৰন্ধাৰ পিছতো দেখিলো সোৱাদ একেবাৰেই বেলেগ। বহুত পিছতহে কাৰণটো গম পালো। আমি যোৰহাটত খোৱা দাইলটো গোটা আৰু ইয়াত কিনাটো হৈছে ফলা।

ইয়াৰ স্থানীয় মানুহ মচুৰ দাইলৰ বিষয়ে ইমানেই অজ্ঞ যে বহুতে তাক খেচাৰি দাইল বুলিয়েই ভাবি আছিল। আমাৰ ঘৰত দেখি কোনো কোনোৱে ক'লে "এইবোৰ নাখাবা – খালে কেনচাৰ হয়। আন বহুতো বেয়া বেয়া বেমাৰ হয়। কাগজে পত্ৰই এই বিষয়ে বহুত কথা প্ৰকাশ পাইছে।" মই ক'লো, "সেই কথা সঁচা হোৱা হ'লে অসমৰ লগতে উত্তৰ ভাৰতৰ মানুহবোৰ কেতিয়াবাই নিঃশেষ হৈ গ'লহেতেন।" তেওঁলোকে সেই কথা কিয় কৈছিল বুজি পাইছিলো। খেচাৰি দাইল আৰু মচুৰ দাইল যে দুবিধ বেলেগ বেলেগ দাইল সেই কথা বুজিবলৈ কিছু কষ্ট হৈছিল।

বহুত বিচাৰিও গোটা মচুৰ নোপোৱাৰ বাবে মনৰ মতন দাইল খাবলৈ পোৱা নাছিলো। যোৰহাটলৈ যাওঁতে মাৰ হাতৰ মচুৰ দাইল খাই তৃপ্তি লভিছিলো।

এবাৰ যোৰহাটলৈ যাওঁতে ঘুৰি অহাৰ আগদিনা মোৰ ডাঙৰ ভাই বিভূতিয়ে মোক মাইচুৰলৈ লৈ আহিবলৈ এটা পেকেট দিলে। খুলি চাই দেখো শুকান মটৰ মাহ। মই আচৰিত হৈ মটৰ মাহ কিয় নিবলৈ দিছে বুলি সোধাত সি ক'লে, "কেনেই তয়েই দেখোন কৈছিলি মাইচুৰত গোটা মটৰ মাহ নাপায় বুলি।" মই ক'লো যে মই তেনেকুৱা কথা কেতিয়াও কোৱা নাই কাৰণ আমি তেনে মটৰ মাহ কিনিয়েই থাকো – খায়েই থাকো। সেই কথা লৈ আমাৰ মাজত বেছ তৰ্ক হৈছিল। সি মোৰ কথা নামানে আৰু মই তাৰ কথা নামানো। সি কিয় তেনেকৈ ভাবিছিল মই বুজিয়েই নাপালো। মাইচুৰলৈ ঘুৰি অহাৰ বহুতদিনৰ পিছত হঠাতে মনত খেলালে যে মই হয়তো বিভূতিক মচুৰ মাহৰ কথা কৈছিলো আৰু সি ভুলতে মটৰ মাহ বুলি শুনিলে। নহলে এনেকুৱাও হ'ব পাৰে যে মই হয়তো মচুৰ মাহ বুলি ক'ব খুজিছিলো যদিও মুখৰ পৰা মটৰ মাহ বুলি ওলাইছিলে। এনে ধৰণৰ ভুলকে slip of the tongue বোলা হয়। অৱশ্যে মনোভাষাবিজ্ঞান (psycholinguistics) ৰ পৰিভাষাত slip of the brain বোলা হয়। কেতিয়াবা এনে কাৰণতে সংযোগৰ বিজুতি (miscommunication) ঘটে।

সি যি কি নহওক, গোটা মচুৰ পোৱা ডাঙৰ দোকান এখন আবিষ্কাৰ কৰাৰ পিছৰে পৰা নিয়মিয়াকৈ আনিবলৈ ধৰিলো। কিন্তু ৰান্ধোহে ৰান্ধো মায়ে ৰন্ধাৰ দৰে কোনোপধ্যে নহয়। মনত পৰিল যে মায়ে বিলাহী দিয়া নাছিল আৰু আমি ইয়াত প্ৰায়বোৰ ৰন্ধাবঢ়াতে বিলাহী দিও। গতিকে বিলাহী নিদিয়াকৈ ৰান্ধি চালো – কিন্তু একেই কথা। পিছৰবাৰ যাওতে মায়েনো মচুৰ দাইল কেনেকৈ ৰান্ধে চালো। মায়ে হাঁহিছিলে "মইনো বিশেষ কিটো কৰো ? দাইল কেইটা সিজাই তেল মাৰো, সিমানেই।" মাইচুৰলৈ ঘুৰি আহি ঠিক মায়ে ৰন্ধাৰ দৰেই ৰান্ধিলো – মায়ে ৰন্ধা দাইলৰ লগত কোনো মিল নাই।

পিছৰবাৰ যোৰহাটলৈ যাওতে তাতে মচুৰ দাইল অলপ বিভূতি (মোৰ ডাঙৰ ভাই)ৰ হতুৱাই কিনাই ইয়ালৈ লৈ আহিলো। ধৰি ল'লো যে যোৰহাটত খোৱাবিধ হয়তো বিহাৰ, পশ্চিমবংগত উৎপন্ন হোৱা। অৱশ্যে অসমতো কিছু পৰিমাণে হয় বুলি পঢ়িবলৈ পাইছো। আমি ইয়াত খোৱাবিধ হয়তো মহাৰাষ্ট্ৰত উৎপন্ন হোৱা। মহাৰাষ্ট্ৰ যিহেতু কৰ্ণাটকৰ ওচৰ চুবুৰিয়া ৰাজ্য মাইচুৰলৈ নিশ্চয় তাৰ পৰাই আহে। মচুৰ মাহ ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যত উৎপন্ন হয়। পঢ়িবলৈ পাইছো মচুৰ মাহ উৎপাদনত ২০০৪ চনলৈকে ভাৰতবৰ্ষ শীৰ্ষস্থানত আছিল। কিন্তু ২০০৫ চনৰ পৰা ভাৰতবৰ্ষৰ স্থান দ্বিতীয় আৰু কানাডাৰ স্থান শীৰ্ষত। সি যি কি নহওক, মাইচুৰ আহি পাই অতি উৎসাহেৰে যোৰহাটৰ পৰা লৈ অহা মচুৰ দাইল ৰান্ধিলো। খোৱা পাতত বহিহে গম পালো পুনৰ একেই কথা।

মই বুজি পালো যে মোৰ কাম সিদ্ধি হ'বলৈ হ'লে বেলেগ পন্থা অৱলম্বন কৰিব লাগিব। সেয়ে পিছৰবাৰ ঘৰলৈ যাওতে সৰু ভাই বুলবুল (ধূৰ্জটিনাথ)ৰ হতুৱাই দুই কেজি মচুৰ দাইল অনাই তাৰে অলপ মাক ৰান্ধিবলৈ দিলো। মায়ে ৰান্ধি থাকোতে আদিৰে পৰা অন্তলৈকে গোটেই পদ্ধতিটো সূক্ষ্মভাবে পৰ্যবেক্ষণ কৰিলো। বাকীখিনি দাইল মাইচুৰলৈ লৈ আহি অলপো হীনদেঢ়ি নোহোৱাকৈ মাৰ দৰেই ৰান্ধিলো। এইবাৰ সফল হ'ম বুলি মোৰ পূৰা বিশ্বাস হৈছিল। কিন্তু পুনৰ হতাশ হ'লো।

মই সহজে হাৰ মনা মানুহ নহও যদিও পুনৰ বিফল প্ৰচেষ্টা নচলোৱাটোৱেই বুদ্ধিমতীৰ কাম হ'ব বুলি ভাবিলো। এদিন মোৰ এই অভিজ্ঞতাৰ কথা কিবা প্ৰসঙ্গত ড. ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱাহঁতৰ আগত ওলাল। তেখেত অসমৰ নলবাৰীৰ মানুহ। তেখেতে আজি কেইবছৰমানৰ আগতে ইয়াৰ কেন্দ্ৰীয় ভাষা প্ৰতিষ্ঠান (Central Institute of Indian Languages) ৰ পৰা উপনিৰ্দেশক হিচাবে অৱসৰ গ্ৰহণ কৰিছে। ইয়াত তেখেতে ঘৰদুৱাৰ কৰিছে যদিও অৱসৰৰ পিছৰ পৰা কিছুদিন ইয়াত আৰু কিছুদিন গুৱাহাটীৰ ঘৰত থকাৰ ব্যৱস্থা কৰিছে। তেখেতে মোৰ গোটেই কাহিনীটো শুনি হাঁহি হাঁহি ক'লে, "আপুনি পিছে এটা ভুল কৰিলে নহয়। আপুনি যোৰহাটৰ পৰা দাইলহে আনিলে – পানীও আনিব লাগিছিল। যোৰহাটৰ দাইল মাইচুৰৰ পানীত ৰান্ধিলে একে সোৱাদ কেনেকৈ পাব ?"

পিছদিনা কথাই কথাই গোটেই কাহিনীটো অফিচত মোৰ সহকৰ্মী বান্ধৱী শ্যামলা (ড. শ্যামলা চেংগাপ্পা)ক ক'লো। লগতে দত্তবৰুৱাৰ মন্তব্যটোও ক'লো। শ্যামলা প্ৰায় চিঞৰি উঠিল, "সেইটো হ'বই নোৱাৰে। আমাৰ কাৱেৰীৰ পানীৰ দৰে মিঠা পানী ভাৰতবৰ্ষৰ ক'তো নাই। কাৱেৰীৰ পানীত ৰন্ধা বস্তুৰ সোৱাদ বেছিহে ভাল হ'ব।" কৰ্ণাটকৰ এইটো অঞ্চলৰ মানুহৰ কাৱেৰীৰ লগত এক আৱেগিক সম্পৰ্ক আছে। কাৱেৰীৰ উৎস তলকাৱেৰী, কুৰ্গ জিলাত। কুৰ্গীবিলাকৰ জনমানসত কাৱেৰীৰ স্থান দেবীতুল্য। শ্যামলাও কুৰ্গী মানুহ। মই যোৰহাটৰ পানীৰ লগত কাৱেৰীৰ পানীৰ তুলনা কৰিব খোজা নাই যদিও কবই লাগিব যে কাবেৰীৰ পানীৰ এক স্বকীয় আৰু অনন্য সোৱাদ আছে।

অৱশেষত মই এটা কথা উপলব্ধি কৰিলো যে কোনো খাদ্যৰ জুতি কেৱল উপকৰণ আৰু ৰন্ধনৰ প্ৰক্ৰিয়াৰ ওপৰতে নিৰ্ভৰ নকৰে – ৰান্ধনী বা ৰান্ধনীৰ হাত দুখনৰ ওপৰতো নিৰ্ভৰ কৰে। মই মাৰ পৰা হয়তো বহুত জিনেই পাইছো কিন্তু হাত দুখন একে নহ'ল।